যোৰহাট কলেজত গীতাৰ্থ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন

যোৰহাট ঃ ১৩ ছেপ্টেম্বৰ ঃ যোৰহাট কলেজৰ আলোচনা কক্ষত ছাত্ৰ গীতাৰ্থ বৰুৱাৰ স্মৃতিত তৃতীয় সংখ্যক 'গীতাৰ্থ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান' অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ইন্দ্ৰাক্ষী দাসৰ আবাহণিৰে শুভাৰম্ভ হোৱা সভাখনত বত্তি প্ৰজ্বলন কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ অৰসৰী গ্ৰন্থাগাৰিক ড° স্মৃতিৰেখা বৰুৱাই। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰে। গ্ৰন্থাগাৰ সহায়িকা মানসী কোঁৱৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ আঁত ধৰে তথা পৰিচালনাৰ দায়িত্ব পালন কৰে গ্ৰন্থাগাৰিক ইন্দ্ৰাক্ষী দাসে। অনুষ্ঠানত গীতাৰ্থ বৰুৱাৰ জীৱন আৰু কৃতিৰ সম্পৰ্কত আলোকপাত কৰে ড° জ্যোতিৰ্ময় বৰদলৈয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে লোক-সংস্কৃতিৰ বিশিষ্ট সাধক তথা মৰাণ কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়া। 'অসমীয়া কাহিনী গীত' শীৰ্ষক বিষয়ত তেওঁ জিকিৰ-জাৰী, চিকন সৰিয়হৰ গীত, শান্তি-ৰাধিকাৰ গীত, স্বৰ্গদেউ জয়ধ্বজ সিংহৰ গীত, বদন বৰফুকনৰ গীত, ফুলগুৰিৰ ধাৰাৰ গীত, মণিৰাম দেৱানৰ গীত, পথৰুঘাটৰ ৰণৰ গীত, ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, পগলা পাৰ্বতীৰ গীত, কমলা কুঁৱৰীৰ গীত আদি চহকী অসমীয়া কাহিনী গীতসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে সেই গীতসমূহ পৰিৱেশন কৰে। অনুষ্ঠানটোত ড° পৰাণ বৰুৱা, অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন গ্ৰন্থাগাৰিক ড° স্মৃতিৰেখা বৰুৱা, মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পৰিত্ৰ প্ৰাণ গোস্বামী, মহাবিদ্যালয়খনৰ প্ৰাক্তন তথা বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ড° পৰাণ বৰুৱাই বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত জুবিন সংগীত পৰিৱেশন কৰে প্ৰতীশা দত্তই। বিভাস বৰুৱাই বত্তি প্ৰজ্বলনৰ সময়ত মংগলচৰণ কৰে। ড° ৰঞ্জিত ভট্টাচাৰ্যই শলাগৰ শৰাই আগবঢ়ায়।